# ইতিহাসৰ অধ্যয়ন

**প্ৰশ্ন ১। ইতিহাস আৰু বুৰঞ্জী শব্দৰ অৰ্থ কি ?**

**উত্তৰঃ** ' ইতিহাস ' শব্দটো সংস্কৃত ' ইতিহ ' শব্দৰ ৰূপান্তৰ । ' ইতিহ ' ৰ অৰ্থ হ'ল আগৰে পৰা চলি অহা । এতেকে ইতিহাস বুলিলে অতীজৰে পৰা চলি অহা কথাবোৰকে বুজায় ।

' বুৰঞ্জী ' শব্দটো টাই ভাষাৰ পৰা অহা বুলি কোৱা হয় । টাই ভাষাৰ শব্দ 'বু' ৰ অৰ্থ হ'ল পুৰণি কথা আৰু 'ৰঞ্জ' মানে বৰ্ণনা । অৰ্থাৎ পুৰণি কথাৰ বৰ্ণনা থকা পুথিখনেই হ'ল বুৰঞ্জী ।

**প্ৰশ্ন ২। ইতিহাস পঢ়িলে কি কি লাভ হয় ?**

**উত্তৰঃ** ইতিহাস পঢ়িলে আমি মানৱ সভ্যতাৰ অতীজৰ বহুকথা জানিব পাৰোঁ । অতীজৰ মানুহবিলাকৰ কৰ্মপদ্ধতি , খাদ্যাভ্যাস , বেশ – ভূষা , নীতি – নিয়ম , পুৰুষ আৰু মহিলাৰ সামাজিক স্থিতি , মানুহবিলাকৰ বিভিন্ন সমস্যা আৰু সেইবোৰৰ সমাধানৰ বাবে তেওঁলোকে অৱলম্বন কৰা উপায় আদিৰ বিষয়ে আমি ইতিহাসৰ পৰা জানিবলৈ পাৰো । তদুপৰি অতীজৰ বিভিন্ন মানৱ সমাজৰ শাসন – ব্যৱস্থা , যুদ্ধৰ অস্ত্ৰ – শস্ত্ৰ আৰু কৌশল , সা – সঁজুলি , আ – অলংকাৰ , ধৰ্ম বিশ্বাস আদি সম্পৰ্কেও আমি ইতিহাস পঢ়ি জানিব পাৰোঁ ।

**প্ৰশ্ন ৩। ইতিহাসৰ সমল বুলিলে কি বুজা ? কেইবিধমান সমলৰ নাম লিখা ।**

**উত্তৰঃ** পুৰণি সভ্যতাৰ বিষয়ে যিবোৰ তথ্য আৰু প্ৰমাণ পোৱা যায় , সেইবোৰকে ইতিহাসৰ সমল বুলি কোৱা হয় । ইতিহাসৰ কেইবিধমান গুৰুত্বপূৰ্ণ সমল হ'ল—

( ১ ) ধ্বংস হৈ যোৱা প্ৰাচীন নগৰৰ অৱশেষ ।

( ২ ) প্ৰাক্ – ঐতিহাসিক যুগত মানুহে ব্যৱহাৰ কৰা পাত্ৰ আৰু চিকাৰৰ আহিলাবোৰ ।

( ৩ ) প্ৰাচীন গুহাত আৱিষ্কাৰ হোৱা ছবি আৰু চিহ্নবোৰ ।

( ৪ ) লিখিত সাহিত্য ।

( ৫ ) খনন কাৰ্যত উদ্ধাৰ হোৱা প্ৰাচীন মুদ্ৰা , ধাতু বা মাটিৰ পাত্ৰ , শস্যৰ ভঁৰাল আদি ।

( ৬ ) শিলালিপি ( stone inscription ) আৰু তাম্ৰলিপি ( copper plate inscription ) l

( ৭ ) অতীতৰ মানুহে দৈনন্দিন ব্যৱহাৰ কৰা সামগ্ৰীসমূহ ।

**প্ৰশ্ন ৪। সাধুকথাবোৰ ইতিহাস হয়নে ? কাৰণ দৰ্শোৱা ।**

**উত্তৰঃ** সাধুকথাবোৰ ইতিহাস নহয় । কাৰণ সাধুকথাৰ কাহিনী কাল্পনিকহে , সঁচা কাহিনী নহয়। অতীতৰ সঁচা কাহিনীবোৰহে ইতিহাস।

**প্ৰশ্ন ৫। অতীতৰ কথাবোৰ জানিব খুজিলে আমাৰ মনত সততে কোনবোৰ প্ৰশ্ন উদয় হয় ?**

**উত্তৰঃ** অতীতৰ কথাবোৰ জানিব খুজিলে আমাৰ মনত সততে উদয় হোৱা প্ৰশ্নবোৰ হৈছে — অতীতৰ কথা মানে কিমান অতীতৰ ? অতীতৰ সীমাৰেখা আছে জাননা ? পৃথিৱীত মানুহ আৰু জীৱ – জন্তুৰ সৃষ্টি কেতিয়া হৈছিল ? মানুহ আৰু জীৱ জন্তু সৃষ্টি হোৱাৰ আগতেনো পৃথিৱীখন কেনেকুৱা আছিল ? সেই সময়ৰ পৃথিৱীত বাৰু কি কি আছিল ? ইত্যাদি ।

**প্ৰশ্ন ৬। শিলালিপি আৰু তাম্ৰলিপি কাক বোলে ? এইবোৰ আমাৰ কি কামত আহে ?**

**উত্তৰঃ** অতীতত ৰজা – মহাৰজাসকলে বহুতো কথা শিলৰ পাতত আৰু তামৰ ফলিত লিখি ৰাখিছিল । এইবোৰকে শিলালিপি আৰু তাম্ৰলিপি বুলি কোৱা হয় । এই শিলালিপি আৰু তাম্ৰলিপিবোৰৰ পৰা ভালেমান ঐতিহাসিক কথা জানিব পৰা যায় ।